**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে পৰহিলৈ অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। চাৰিগৰাকী বিধায়কে শনিবাৰে দিনৰ ১২ বজাত মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম এক্সযোগে এই কথা প্ৰকাশ কৰিছে। এই নতুন মন্ত্ৰীসকল হ'ব ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰীয়ে তেওঁৰ বাৰ্তাটোত মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত হ'বলগীয়া বিধায়ককেইগৰাকীক আগতীয়া শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

নতুন দিল্লীৰ প্ৰগতি ময়দানৰ ভাৰত মণ্ডপমত কাইলৈৰ পৰা তিনিদিনীয়াকৈ অষ্টলক্ষ্মী মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়, উত্তৰ পূব হস্তশিল্প আৰু হস্ততাঁত উন্নযন নিগম লিমিটেড আৰু ইনভেষ্ট ইণ্ডিয়াই প্ৰথম বাৰৰ বাবে আয়োজন কৰা এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ শিল্প কলা, চহকী বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মী ৰূপে পৰিচিত উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত অঞ্চলটোৰ প্ৰচুৰ সম্ভাৱনা আৰু জীৱন্ত সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ অংশ হিচাপে অসমৰ প্ৰিয়ংকা ডি পাটোৱাৰী, অৰুণাচল প্ৰদেশৰ জেঞ্জুম গড়ি, মেঘালয়ৰ ডেনিয়েল চিয়েম, মণিপুৰৰ ৰিছানা খুনমাস্তেমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ভালেকেইগৰাকী আগশাৰীৰ ডিজাইনাৰৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ দুদিনীয়া নগাঁও ভ্ৰমণসূচীৰ আজি সামৰণি পৰে। এই ভ্ৰমণ কালত তেওঁ নগাঁৱৰ বটদ্ৰৱাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ থান দৰ্শন কৰি থানখনত চলি থকা বিভিন্ন উন্নয়নমূলক কামকাজৰ বুজ লয়। বটদ্ৰৱা থানখন পৰ্যটন আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্যপালগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলক কামকাজসমূহ নিয়াৰিকৈ সময়মতে সম্পন্ন কৰিবৰ বাবে নিৰ্দেশ দিয়ে।

ooooo

অসম লোকসেৱা আয়োগে আজি সংযুক্ত প্ৰতিযোগীতামূলক পৰীক্ষা-২০২৩ৰ ফলাফল ঘোষণা কৰে। আয়োগে অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু সংলগ্ন সেৱাৰ মুঠ ২৩৫ গৰাকী প্ৰাৰ্থী নিযুক্তিত অনুমোদন দিছে। চিৰঞ্জীৱ ফুকনে ৮৭২ নম্বৰেৰে প্ৰথম স্থান লাভ কৰে। এনিশা বুঢ়াগোহাঁইয়ে ৮২৩ নম্বৰ লাভ কৰি মহিলা প্ৰাৰ্থীৰ ভিতৰত প্ৰথম স্থান দখল কৰে। হিমান্দ্ৰি জিতা বৰাই তৃতীয় স্থান আৰু মৃগাক্ষী বৰুৱাই চতুৰ্থ স্থান লাভ কৰে। পঞ্চম স্থান দখল কৰে টুটুমণি কাকতিয়ে। প্ৰথম দহৰ ভিতৰত থকা আন স্থানপ্ৰাপক সকলৰ ভিতৰত আছে মৃদুস্মিতা ৰয়, মেৰী কলিতা, দীক্ষা সৰকাৰ, নিলম গাৰ্গ আৰু অংকিতা ছেত্ৰী। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে পদ সংৰক্ষণ কৰা হৈছে। মুঠ ২৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত অসামৰিক সেৱাৰ ৪৫ জন, অসম আৰক্ষী সেৱাৰ ৩৫ জন, অসম লেখ সেৱাৰ ১০৭ জন, হিচাপ পৰিক্ষণৰ ১১ জন, কৰ অধীক্ষকৰ এজন, আবকাৰী অধীক্ষকৰ এজন, অসম বিত্ত সেৱাৰ ১৩ জন, খণ্ড উন্নয়ন বিষয়াৰ ৬ জন, সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ ৪ জন, কৰ পৰিদৰ্শকৰ ৪ জন, শ্ৰম পৰিদৰ্শকৰ ৪, সহকাৰী নিয়োগ বিষয়াৰ এজন আৰু উপ-পঞ্জীয়কৰ ৩ জন প্ৰাৰ্থীক নিযুক্তিৰ বাবে আয়োগে আজি অনুমোদন দিছে।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বড়োলেণ্ড আঞ্চলিক পৰিষদ বিধান পালিকালৈ দুজন নতুন কাৰ্যবাহী সদস্য মনোনীত কৰিছে। এওঁলোক হৈছে সজল কুমাৰ সিংহ আৰু ছাইকং বসুমতাৰী। বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ পৰামৰ্শ অনুসৰি এই দুজন সদস্যক কাৰ্যবাহী সদস্যৰূপে নিযুক্তি দিয়া হৈছে। এই নতুন অন্তৰ্ভুক্তিৰ ফলত বি টি চিত বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ প্ৰতিনিধিত্ব বৃদ্ধি পোৱাৰ লগতে কাৰ্যবাহী পৰিষদৰ কাৰ্যক্ষমতা অধিক বৃদ্ধি পাব বুলি আমাৰ কোকৰাঝাৰৰ সংবাদদাতাই জনাইছে।

০০০০০

কোকৰাঝাৰৰ জিলা আৰু চেছন আদালতে ২০২২ চনত কোকৰাঝাৰ জিলাৰ চেৰফাংগুৰি আঞ্চলত পাৰিবাৰিক কলহৰ পৰিণতিত নিজ পত্নীক হত্যা কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰি বিষ্ণু বসুমতাৰী নামৰ এজন লোকক যাৱজ্জীৱন কাৰাদণ্ডাৰে দণ্ডিত কৰিছে। জিলা আৰু চেছন ন্যায়াধীন নিৰ্মালী তালুকদাৰে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত অভিযুক্ত বিষ্ণু বসুমতাৰীক এই গোচৰত ১০ হাজাৰ টকাৰ জৰিমনা বিহাৰ লগতে আন এটা গোচৰত তেওঁক ৭ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। উল্লেখযোগ্য যে, ২০২২ চনৰ ৩১ জুলাইত বিষ্ণু বসুমতাৰীয়ে পাৰিবাৰিক কাজিয়াৰ পাছত খঙৰ বশৱৰ্তী হৈ তেওঁৰ পত্নীক হত্যা কৰে আৰু মৃতদেহটো ঘৰৰ সমীপৰ **কাৰবোনা** নদীত দলিয়াই দি প্ৰমাণ নষ্ট কৰাৰ চেষ্টা চলাইছিল।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা- চি বি আইৰ বিশেষ আদালতে আজি অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰি গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত মিণ্টু দাসক পাঁচ দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰে। চি বি আয়ে দীৰ্ঘদিন ধৰি পলাতক অৱস্থাত থকা অভিযুক্ত দাসক কালি দিল্লীৰ পৰা গ্ৰেপ্তাৰ কৰিছিল আৰু সোধা-পোচা কৰাৰ বাবে অভিযুক্তজনক সাত দিনৰ জিম্মাত বিচাৰিছিল।

০০০০০

সমাপ্ত